নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ▫ গুৱাহাটী সংস্কৰণ ▫ মুঠ পৃষ্ঠা ১৪

৪৭৭২৯২ ফেক্স ঃ ২৪৭৭২৯৩/৯৬ পঞ্চদশ বছৰ সংখ্যা ৪২ মঙলবাৰ ৫ পুহ ১৯৩৭ শক ২২ ডিচেম্বৰ ২০১৫ চন ASOMIYA KHABAR GUWAHATI TUESDAY 22 D

## গুৱাহাটীত মুকলি হ'ল পিভিচি সামগ্ৰী নিৰ্মাণৰ প্ৰকল্প

**মহানগৰ খবৰ, ২১ ডিচেম্বৰ ঃ** নৱবৰ্ষৰ প্ৰাক্‌মুহূৰ্তত দেশৰ অগ্ৰণী উংপাদন গোট স্কিপাৰে ৰাজ্যলৈ কঢ়িয়াই আনিছে এক সুখবৰ। প্লাষ্টিকৰ পাইপ নিৰ্মাতা তথা দেশৰ তৃতীয় স্থানত থকা স্কিপাৰ কোম্পানীয়ে আজি গুৱাহাটীৰ বৰঝাৰ বিমানবন্দৰৰ সমীপত তেওঁলোকৰ তৃতীয় প্ৰকল্পটো মুকলি কৰাৰ বিষয়ে ঘোষণা কৰে। এক সংবাদমেলত এই বিষয়ে ঘোষণা কৰি স্কিপাৰ লিমিটেডৰ সঞ্চালক দেৱেশ বাঞ্চালে কয় যে বছৰি ৪ হেজাৰ মেট্ৰিক টন বিভিন্ন আকাৰৰ পি ভি চি পাইপ উংপাদনৰ লক্ষ্য কৰা হৈছে প্ৰকল্পটোৰ পৰা। তেওঁ কৃষিৰ লগতে ঘৰুৱা কামত পি ভি চি পাইপৰ ব্যৱহাৰ নিতৌ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি কোম্পানীটোৱে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ গ্ৰাহকক উন্নত মানৰ পি ভি চি পাইপ যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে কোম্পানীটোৰ উংপাদন আৰু উচ্চ মানবিশিষ্ট সামগ্ৰীৰ বাবে সম্প্ৰতি দেশৰ তৃতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা বুলি সঞ্চালক দেৱেশ বাঞ্চালে সংবাদমেলত উল্লেখ কৰে।